*মৰ্চা বা সংযুক্ত চৰকাৰৰ দুটা গুণ –*

**(ক) জাতীয় ঐক্য সংহতি ৰক্ষা :** মৰ্চা চৰকাৰে বিভিন্ন ৰাজনৈতিক দলক এখন মজিয়ালৈ অনাৰ ফলত দলবিলাকে নিজা নীতি – আদৰ্শত কঠোৰভাৱে লাগি নাথাকি বুজা পৰাৰ মাজেৰে দেশৰ প্ৰগতিৰ হকে কাম কৰে । ফলত জাতীয় ঐক্য – সংহতি বৃদ্ধি হয় ।

**(খ) ৰাজহুৱা ধনৰ অপব্যৱহাৰ হ্ৰাস :–** এটা নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পিছত চৰকাৰ গঠনত জটিলতা আহিলে দেশে আকৌ এটা নিৰ্বাচনৰ সন্মুখীন হ'ব লগা হয় । এনে পৰিস্থিতিত দেশৰ বৃহৎ নিৰ্বাচনী ব্যয় মৰ্চা চৰকাৰৰ গঠনে দেশক ৰক্ষা কৰে । এইদৰে মৰ্চা চৰকাৰ গঠনৰ প্ৰক্ৰিয়াই ৰাজহুৱা ধনৰ অপব্যয় হ্ৰাস কৰে ।

*মৰ্চা বা সংযুক্ত চৰকাৰৰ দুটা দোষ :-*

(ক) **ক্ষনস্থায়ী অথবা অস্থিৰ :-** মৰ্চা চৰকাৰৰ আটাইতকৈ ডাঙৰ দোষটো হৈছে ইয়াৰ অস্থিৰতা । মৰ্চাত অংশ গ্ৰহন কৰা দলসমূহৰ নিজা স্বাৰ্থত আঘাত পৰিলে তেনে দলে যিকোনো সময়তে সমৰ্থন উঠাই লোৱাৰ সম্ভাৱনা থাকে । ফলত কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতে এনে চৰকাৰৰ পতন ঘটে আৰু দেশে বৃহৎ নিৰ্বাচনী পুঁজি ব্যয় কৰিব লগা হয় ।

**(খ) মৰ্চা চৰকাৰ :-** মৰ্চা চৰকাৰ সাধাৰণতে দুৰ্বল হয় । কিয়নো চৰকাৰে অংশ গ্ৰহণকাৰী সকলো দলকে সন্তুষ্ট ৰাখিবলগীয়া হোৱাৰ বাবে এই চৰকাৰে কোনো বিষয়তে দৃঢ়তাৰে আগবাঢ়িব লোৱাৰে ।

**প্ৰশ্ন :- (১) সংযুক্ত চৰকাৰ বুলিলে কি বুজা ? সংযুক্ত চৰকাৰ কি পৰিস্থিতিত গঠিত হয় ?**

উত্তৰঃ- যেতিয়া কোনো এখন গণতান্ত্ৰিক দেশত কোনো এটা বিশেষ দলে ৰাজনৈতিক একক সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰিবলৈ অপাৰগ হয় , তেতিয়া কেইবাটাও ৰাজনৈতিক দল একগোট হৈ চৰকাৰ গঠন কৰে । এনেধৰণৰ চৰকাৰক মৰ্চা বা সংযুক্ত চৰকাৰ বোলে । মৰ্চা চৰকাৰ গঠনকাৰী দলবিলাকৰ আদৰ্শ ভিন্ন হ'লেও ক্ষমতা দখলৰ স্বাৰ্থত এনে দলবিলাকে নিজা স্বাৰ্থ আৰু আদৰ্শ মোকাবিলা কৰি আৰু উমৈহতীয়া লক্ষ্য বান্ধি চৰকাৰ গঠন কৰা দলবোৰে এক উমৈহতীয়া কাৰ্যসূচী গ্ৰহণ কৰে ।